

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১৩

প্রাক্‌ঐতিহাসিক অসম

অংশ – ২

পৰিনীতা দেৱী

শিকনৰ ফলাফল

- কামৰূপত ৰাজত্ব কৰা উল্লেখযোগ্য ৰাজবংশৰ বিষয়ে জানিব পাৰিব।
- বৰ্মণ বংশ আৰু হিউৱেন – চাঙৰ টোকাত কামৰূপৰ বৰ্ণনাৰ বিষয়ে জানিব পাৰিব ।

পুৰণি অসমৰ ৰাজবংশসমূহ



- ঐতিহাসিক সূত্ৰৰ পৰা জানিব পৰা মতে খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ পৰা দশম শতিকাৰ প্ৰথমাৰ্ধলৈকে প্ৰায় ৪২ জন ৰজাই কামৰূপত শাসন কৰিছিল।
- এই শাসকসকল তিনিটা বংশৰ অন্তৰ্গত আছিল —
  - বৰ্মণ বংশ
  - শালস্তম্ভ বংশ
  - পালবংশ

বর্মণ বংশ



- পূষ্য বর্মনে ৩৫০ খ্ৰীষ্টাব্দত বর্মণ বংশ প্রতিষ্ঠা কৰিছিল। বর্মণসকল গুপ্ত সাম্রাজ্যৰ সমসাময়িক আছিল।
- কামৰূপ আৰু ডবাক নামৰ ঠাইৰ কথা সমুদ্র গুপ্তৰ এলাহাবাদ প্রশাস্তিত উল্লেখ আছে।
- ইতিহাসবিদসকলে বর্তমানৰ হোজাই জিলাৰ ডবকা অঞ্চলক তেতিয়াৰ ডবাক বুলি অনুমান কৰিছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



- এই বংশই কামৰূপত প্ৰায় ৩০০ বছৰ শাসন কৰিছিল।
- কুমাৰ ভাস্কৰ বৰ্মণ আছিল এই বংশৰ শ্ৰেষ্ঠ ৰজা ।
- থানেশ্বৰৰ ৰজা হৰ্ষবৰ্ধনৰ লগত তেওঁৰ সু-সম্পৰ্ক আছিল।
- ভাস্কৰ বৰ্মণৰ অনুৰোধত বৌদ্ধ ভ্ৰমণকাৰী হিউ-এন-ছাঙে কামৰূপ ভ্ৰমণ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাস্কৰাব্দ

- ভাস্কৰ বৰ্মণৰ ৰাজত্বকালৰ পৰাই ভাস্কৰাব্দ নামৰ এটি সময়সূচীৰ প্ৰচলন হয়।
- তেওঁৰ শাসন কালত ডুবি (বজালী জিলাত) আৰু নিধানপুৰ (বৰ্তমানৰ বাংলাদেশত) তামৰ ফলি খোদিত কৰা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca Foundation



ডুবিৰ তামৰ ফলি

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৭০০ মাইল
চি-ইউ-কি

হিউৱেন চাঙৰ টোকাত কামৰূপৰ বৰ্ণনা —

- চীনা পৰিব্ৰাজক হিউৱেন চাঙে নালন্দা বিশ্ববিদ্যালয়ত বৌদ্ধ ধৰ্ম সম্বন্ধে অধ্যয়ন কৰিছিল।
- ভাস্কৰ বৰ্মণৰ আমন্ত্ৰণত চীন ভ্ৰমণকাৰী তথা বৌদ্ধ পণ্ডিত হিউ-এন-ছাঙে কামৰূপ ভ্ৰমণ কৰে, তেওঁ প্ৰায় এমাহ কামৰূপত থাকে।
- তেওঁৰ 'চি-ইউ-কি' গ্ৰন্থত কামৰূপ ৰাজ্যৰ বৰ্ণনা কৰিছে যাৰ এলেকা আছিল প্ৰায় ১৭০০ মাইল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- কামৰূপৰ মানুহবোৰ আছিল সহজ-সৰল, ধনী, বৌদ্ধিকভাৱে চোকা আৰু শিক্ষণৰ প্ৰতি আগ্ৰহী।
- তেওঁলোকৰ ভাষা মধ্য ভাৰতৰ পৰা পৃথক আছিল।
- ইয়াৰ লোকসকলে নাৰিকল আৰু কঁঠালৰ খেতি কৰিছিল।
- তেওঁলোকে অনেক দেৱ-দেৱীক পূজা কৰিছিল, বৌদ্ধ ধৰ্মৰ কোনো প্ৰভাৱ নাছিল।

- ভাস্কৰ বৰ্মণ এজন গুণি জ্ঞানী ৰজা আছিল। তেওঁ সকলো ধৰ্মৰ প্ৰতি শ্ৰদ্ধাশীল আছিল।
- দূৰ-দূৰণিৰ পণ্ডিত সকলক ভাস্কৰ বৰ্মনে নিজ ৰাজ্যলৈ আমন্ত্ৰণ কৰি শ্ৰদ্ধা আৰু সন্মান জনাইছিল।
- প্ৰাগজ্যোতিষপুৰ ৰাজ্য পৰ্বতমালাৰে সংৰক্ষিত আছিল। এই ৰাজ্যত কোনো ডাঙৰ নগৰ নাছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

➤ উত্তৰ ভাৰতৰ পৰা কামৰূপ হৈ চীন দেশলৈ যোৱা এক বাণিজ্যিক পথ আছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জানি থওঁ আহা

কলহনৰ ৰাজতৰঙ্গিনী গ্ৰন্থত কাশ্মীৰৰ ৰজা মেঘবাহনে কামৰূপৰ ৰজাৰ জীয়ৰী অমৃতপ্ৰভাক বিয়া কৰাইছিল বুলি উল্লেখ আছে। সম্ভৱত বৰ্মণবংশী বলবৰ্মণ সেই সময়ৰ কামৰূপৰ ৰজা আছিল।

মূল্যায়ন



1 বর্মণ বংশই কামৰূপত কিমান বছৰ কাল ৰাজত্ব কৰিছিল -

A ২০০ বছৰ

B ৩০০ বছৰ

C ৪০০ বছৰ

মূল্যায়ন

Under CSR Support by
ipca | Foundation



2 হিউৱেন চাঙে ভাৰত সম্বন্ধে ৰচনা কৰা পুথিখন হল-

A চি-ইউ-কি

B এলাহবাদ প্রসস্তি

C ৰুক্মিনী হৰণ

মূল্যায়ন





3 ভাস্কৰ বৰ্মণৰ ৰাজত্বকালৰ পৰাই ভাস্কৰাব্দ.....নামৰ এটি সময়সূচীৰ প্ৰচলন হয়